# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 02-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আন্তঃৰাষ্ট্ৰীয় বায়ু পৰিবহণ সংঘ, আই এ টি এ-ৰ ৮১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষি ক্ষেত্ৰ দেশৰ অৰ্থব্যৱস্থাৰ সৰ্বোচ্চ শক্তি বুলি মন্তব্য কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি উত্তৰ-পূবৰ ৪ খন ৰাজ্য- অসম, মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীসকলক সাক্ষাৎ কৰি বান, ভূমিস্খলনৰ পৰিস্থিতিৰ বুজ লয়।

৪। পাৰাগুৱেৰ ৰাষ্ট্ৰপতি ছেণ্টিয়াগ পেনা পালাছিয়িছে আজিৰে পৰা তিনিদিনীয়াকৈ ভাৰত ভ্ৰমণ কৰিব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আন্তঃৰাষ্ট্ৰীয় বায়ু পৰিবহণ সংঘ, আই এ টি এ-ৰ ৮১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰীয়ে এই উপলক্ষে আয়োজিত সভাত ভাষণো দিব। এই সভা কালি আৰম্ভ হৈছিল আৰু কাইলৈ ইয়াৰ সামৰণি পৰিব। বিশ্ব বিমান পৰিবহণ সন্মিলনত বিমান উদ্যোগসমূহে সন্মুখীন হোৱা মূল বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব, য'ত বিমান উদ্যোগৰ অৰ্থনীতি, বিমান সংযোগ, শক্তি, সুৰক্ষা, বহনক্ষম বিমান ইন্ধন উৎপাদন আৰু উদ্ভাৱন আদিকে ধৰি বিভিন্ন বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিযোগে জনাইছে যে এই অনুষ্ঠানৰ বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলে বিমান পৰিবহণৰ ক্ষেত্ৰত ভাৰতৰ উল্লেখযোগ পৰিৱৰ্তন আৰু দেশৰ আৰ্থসামাজিক উন্নয়নত ভাৰতৰ অৱদানৰ সাক্ষী হ'ব পাৰিব। উল্লেখযোগ্য যে ৪২ বছৰৰ পূৰ্বে ১৯৮৩ চনত আই এ টি এ-ৰ অন্তিমখন বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হৈছিল।

ooooo

কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে কৃষি ক্ষেত্ৰ দেশৰ অৰ্থব্যৱস্থাৰ সৰ্বোচ্চ শক্তি। নতুন দিল্লীত কালি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ৰাষ্ট্ৰীয় স্মৃতি আলোচনা চক্ৰৰ ৬০ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি শ্ৰীচৌহানে গ্ৰাম্য ক্ষেত্ৰত দৰিদ্ৰ হ্ৰাস পোৱা আৰু দেশৰ জনসাধাৰণৰ জীৱনৰ মানৰ সকাৰাত্মক পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে লাখপতি দিদি আঁচনি মহিলা সবলীকৰণৰ এক বৃহৎ অভিযান হিচাপে প্ৰমাণিত হৈছে। কৃষি ক্ষেত্ৰখনৰ উন্নয়ন সম্পৰ্কে মন্ত্ৰীগৰাকীয়ে কয়, যে অলপতে দুবিধ নতুন জাতৰ ধান বিকশিত কৰা হৈছে, যাৰ ফলত উৎপাদন ৩০ শতাংশ বৃদ্ধি পাব, ২০ শতাংশ কম পানীৰ প্ৰয়োজন হ'ব আৰু এই প্ৰজাতি ধান বৃদ্ধি ২০ দিনতে পূৰ্ঠ হ'ব।

শ্ৰীচৌহানে লগতে কয়, যে সাংস্কৃতিক ঐতিহ্য আৰু আধুনিকতাৰ সমন্বয়ৰ ৰাষ্ট্ৰ হিচাপে ভাৰত আগবাঢ়ি যাব।

০০০০০

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত অসমৰ ১২ খন জিলাৰ ৩ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। গোৱালপাৰা, লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি উত্তৰ-পূবৰ ৪ খন ৰাজ্য ক্ৰমে অসম, মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীসকলক সাক্ষাৎ কৰি বান পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে এই চাৰিওখন ৰাজ্যত বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বান, ভূমিস্খলন আৰু খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। সাক্ষাতৰ সময়ছোৱাত গৃহমন্ত্ৰীগৰাকীয়ে প্ৰত্যেকখন ৰাজ্যৰ মুখ্যমন্ত্ৰীক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, যে উত্তৰ-পূবৰ জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে সদায়ে অটল স্থিতি গ্ৰহণ কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গৃহমন্ত্ৰী অমিত শ্বাহৰ এই তাৎক্ষণিক প্ৰতিশ্ৰুতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৰাজ্যকেইখনত এন ডি আৰ এফ, এছ ডি আৰ এফকে ধৰি অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় প্ৰশাসনে ২৪ ঘণ্টাই ক্ষতিগ্ৰস্ত লোকসকলক সহায় আৰু উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসম, মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ উপৰি মেঘালয়, ত্ৰিপুৰা আৰু নাগালেণ্ডতো বিগত সময়ছোৱাত হোৱা বৰষুণে ব্যাপক ক্ষয়-ক্ষতি কৰিছে। এই ৰাজ্যকেইখনত এতিয়ালৈ ২৭ জন লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। এই ২৭ জন লোকৰ ভিতৰত অৰুণাচল প্ৰদেশত ৯ জন, মেঘালয়ত ৬ জন, অসম আৰু মিজোৰামত ৫ জনকৈ আৰু ত্ৰিপুৰা আৰু নাগালেণ্ডত এজনকৈ লোকৰ মৃত্যু হৈছে।

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি অনুসৰি পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছৰ ১৫ খন গাঁও প্লাবিত হৈছে। জিলাখনৰ ১০০ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাঁচখনকৈ শ্লুইছ গে'ট খুলি দিয়াৰ ফলত নামনি অঞ্চলত বানৰ সৃষ্টি হৈছে।

অবিৰত বৰষুণৰ ফলত কাছাৰ জিলাৰ জনজীৱন কাৰ্যত স্তব্ধ হৈ পৰিছে। বৰাক নদীৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰাত বিভিন্ন অঞ্চল প্লাবিত হৈছে। জিলাখনৰ বৃহত্তৰ কাটিগড়া, উদৰবন্দৰ লগতে শিলচৰ চহৰৰ বহুকেইটা অঞ্চল জলমগ্ন হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে নদীৰ পাৰৰ কেইবাখনো শ্লুইছ গে'টৰ কপাট বন্ধ কৰি দিছে। শিলচৰ কুম্ভীৰগ্ৰাম বিমান বন্দৰলৈ যোৱা ভি আ পি ৰোডৰ ওপৰেৰে পানী বাগৰাৰ ফলত পথছোৱা বন্ধ হৈ পৰিছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ উচ্চতা বৃদ্ধি হোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা গৈছে। সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ যোৰহাট জিলা প্ৰশাসনে অনুৰোধ জনাইছে।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰক তীব্ৰ সমালোচনা কৰি কয়, যে ২০২৬ চনত ভাৰতীয় জনতা পাৰ্টিয়ে ৰাজ্যখনত পৰৱৰ্তী চৰকাৰ গঠন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে

কালি কলকাতাৰ নেতাজী ইনড'ৰ ষ্টেডিয়ামত আয়োজিত এখন জনসভাত ভাষণ দি এইদৰে কয়। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটা বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত ৰাজ্যখনত হিংসাত্মক পৰিস্থিতি অধিক বৃদ্ধি হৈছে। সীমান্তৰ সিপাৰৰ অনুপ্ৰৱেশ এতিয়া পশ্চিমবংগৰ অন্যতম গুৰুতৰ সমস্যা। ৰাজ্যখনত এতিয়া দুৰ্নীতিয়ে ভয়াবহ ৰূপ ধাৰণ কৰিছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰী শ্ৰীশ্বাহে কয়, যে এই সময়ছোৱাত পশ্চিমবংগত মহিলাৰ বিৰুদ্ধে অপৰাধৰ সংখ্যাও যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰখন গণতন্ত্ৰ ৰক্ষাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি তেওঁ বিগত বিধানসভা নিৰ্বাচনৰ পাছত ৰাজ্যখনত কেইবাজনো বিজেপি কৰ্মীৰ মৃত্যুক লৈ উদ্বেগ প্ৰকাশ কৰে।

০০০০০

ছিকিম চৰকাৰে ৫ বছৰৰ বিৰতিৰ অন্তত ভগৱান শিৱৰ পৱিত্ৰ তীৰ্থস্থান কৈলাশ মানসৰোবৰ যাত্ৰাৰ আয়োজন কৰিবলৈ সাজু হৈছে। ছিকিম চৰকাৰৰ পৰ্যটন আৰু অসামৰিক বিমান পৰিবহণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব চি এছ ৰাওৱে জনাইছে যে অহা ১৫ জুনত গেংটকত প্ৰথমটো তীৰ্থযাত্ৰীৰ দল উপস্থিত হোৱাৰ লগে লগেই এই যাত্ৰাৰ আৰম্ভ হ'ব। সুগম যাত্ৰাৰ বাবে গেংটক আৰু নাথুলাৰ মাজত অভ্যস্ততা কেন্দ্ৰ স্থাপন কৰা হৈছে। এই যাত্ৰা সম্পূৰ্ণ হ'বলৈ প্ৰায় ২০-২১ দিন সময় লাগিব বুলি আশা কৰা হৈছে। কৈলাশ মানসৰোবৰ যাত্ৰাৰ বাবে যাত্ৰীসকলে ১১ জুনত নতুন দিল্লীত প্ৰতিবেদন দাখিল কৰাৰ লগতে যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে উপযুক্ত স্বাস্থ্য পৰীক্ষা আৰু আৱশ্যকীয় অনুজ্ঞাপত্ৰ ল'ব লাগিব। এই যাত্ৰা ১০টা গোটত কৰোৱা হ'ব আৰু প্ৰতিটো গোটত ৪৮জনকৈ তীৰ্থযাত্ৰী থাকিব। তেওঁলোকৰ সৈতে দুগৰাকী জনসম্পৰ্কৰক্ষী বিষয়া, ৰান্ধনী আৰু সহায় কৰ্মীও থাকিব। ছিকিম চৰকাৰে যাত্ৰীসকলৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। ছিকিম চৰকাৰে যাত্ৰা পথৰ বিভিন্ন স্থানত আৱাস, খাদ্য, চিকিৎসা সেৱা আৰু জৰুৰীকালীন ব্যৱস্থাসমূহ গ্ৰহণ কৰিব। কৈলাশ মানসৰোবৰ যাত্ৰা এক দুঃসাহসিক যাত্ৰা য'ত সাৱধানতামূলক আঁচনি আৰু ব্যৱস্থাৰ প্ৰয়োজন হয়। শ্ৰীৰাওৱে কয়, যে ছিকিমৰ বিশেষ ভৌগোলিক অৱস্থিতি আৰু জলবায়ু কৈলাশ মানসৰোবৰ যাত্ৰাৰ বাবে উপযুক্ত বুলি কোৱা হয়।

০০০০০

পাৰাগুৱেৰ ৰাষ্ট্ৰপতি ছেণ্টিয়াগ' পেনা পালাছিয়ছে আজিৰে পৰা তিনিদিনীয়াকৈ ভাৰত ভ্ৰমণ কৰিব। তেওঁৰ সৈতে মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়িক প্ৰতিনিধিকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো থাকিব। এই ভ্ৰমণৰ সময়ছোৱাত দুয়োপক্ষই দ্বিপাক্ষিক সম্পৰ্কৰ বিস্তৃত পৰ্যালোচনা কৰাৰ সম্ভাৱনা আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে জনাইছে যে ৰাষ্ট্ৰপতি পেনাৰ এয়া হ'ব প্ৰথমটো ভাৰত ভ্ৰমণ আৰু কোনো এগৰাকী পাৰাগুৱেৰ ৰাষ্ট্ৰপতিৰ বৰ্তমানলৈকে দ্বিতীয়টো ভাৰত ভ্ৰমণ। যাত্ৰাৰ প্ৰথম দিনা ৰাষ্ট্ৰপতি পেনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্তালাপ কৰিব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক বিভিন্ন বিষয়সমূহৰ পৰ্যালোচনা কৰিব। তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰো সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি পেনাই বুধবাৰে পাৰাগুৱেলৈ উভতাৰ পূৰ্বে মুম্বাইলৈও যাব। মুম্বাইত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজনৈতিক নেতা, ব্যৱসায়ী আৰু উদ্যোগ ক্ষেত্ৰৰ প্ৰতিনিধি তথা প্ৰযুক্তি বিশেষজ্ঞসকলক সাক্ষাৎ কৰিব।

ভাৰতৰ আৰু পাৰাগুৱেৰ মাজত ১৯৬১ চনত কূটনৈতিক সম্পৰ্ক স্থাপন হৈছিল আৰু তেতিয়াৰ পৰা দুয়োখন ৰাষ্ট্ৰৰ মাজত উষ্ম আৰু বন্ধুত্বপূৰ্ণ সম্পূৰ্ণ গঢ়ি উঠিছিল। দুয়োখন দেশে বাণিজ্য, কৃষি, স্বাস্থ্য, ঔষধ আৰু তথ্য প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা কৰি তুলিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছে বান্ধি দিয়া ২০৪ ৰানৰ বিজয় লক্ষ্য পাঞ্জাব কিংছে এটা অভাৰ বাকী থকা অৱস্থাত সহজে অতিক্ৰম কৰে। পাঞ্জাব কিংছৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে অপৰাজিত ৮৭ ৰান সংগ্ৰহ কৰে। নিহাল ৱাধেৰাই ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাই ইণ্ডিয়ানছৰ হৈ আশ্বানী কুমাৰে দুটা উইকেট দখল কৰে। শ্ৰেয়াছ আয়াৰক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়। বৰষুণৰ বাবে খেলখন কিছু পলমকৈ অনুষ্ঠিত হৈছিল।

এই জয়ৰ সুবাদত পৰহিলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত